জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৮৮/২০২০

# বিশিষ্ট গীতিকাৰ, সাহিত্যিক গীতা হাতীকাকতিৰ বিয়োগত মুখ্যমন্ত্ৰী সোণোৱালৰ শোক প্ৰকাশ

**দিছপুৰ, ২৪ নৱেম্বৰ ঃ** বিশিষ্ট গীতিকাৰ, সাহিত্যিক গীতা হাতীকাকতিৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত গীতা হাতীকাকতিয়ে বিভিন্ন গীত আৰু সাহিত্য ৰচনাৰে আমাৰ সাহিত্য তথা সাংস্কৃতিক জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল, সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। 'এজাক গানৰ চৰাই', 'আমাৰ সোণসেৰীয়া গীতৰ গীতিকাৰসকল', 'লোক সংস্কৃতি আৰু সৌন্দৰ্যবোধ', 'পূৱেৰুণৰ ৰং' ইত্যাদি অনেক গ্ৰন্থৰ ৰচয়িতা এইগৰাকী সাহিত্যিক তথা গীতিকাৰে আমাৰ সাহিত্য জগতলৈ যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। ২০১৬ বৰ্ষৰ ৰাজ্য চৰকাৰৰ শিল্পী বঁটা প্ৰাপক এইগৰাকী বিশিষ্ট গীতিকাৰ তথা সাহিত্যিকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত গীতিকাৰ তথা সাহিত্যিক গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

পুঃডেঃ / বঃভাঃ
২৪/১১/২০২০